...ণী

...ন নাথাকে,
...থাকে।

-মহাত্মা গান্ধী

# অসম আদিত্য

RNI REGN. No. : ASS...
epaper.asomad...
Portal : www.asom...
e-mail : asomadity...

স্বাস্থ...

দুই গ্ৰাম আজুৱাইন ...
ক'লানিমখ এগিলাছ ...
মিহলি কৰি খালে ...
উপশম পো...

১৬১ ■ ৩২ জেঠ, ১৯৪৬ শক ■ শনিবাৰ, ১৫ জুন, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, June 15, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■






## ডº লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতা প্ৰদান কৰিব সমুদ্ৰগুপ্ত কাশ্যপে



*ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ বিজ্ঞান স্নাতক পাপৰি দত্তক অভিনন্দন জ্ঞাপন কৰিছে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ডº ৰঞ্জন চাংমায়ে*

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ জুন ঃ** ঐতিহ্যমণ্ডিত ডিএইচএছ কানৈ মহাবিদ্যালয়ে কাইলৈ অৰ্থাৎ ১৫ জুনত ৭৯ বছৰত ভৰি দিব। এই উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপন কৰা হ'ব। ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপে প্ৰতিষ্ঠাকালৰ উপাধ্যক্ষ ড০ লক্ষ্মীপ্ৰসাদ দত্তৰ স্মৃতিত 'অসমৰ অভিনৱ প্ৰতিৱেশীসকল' (Assam's Amazing Neighborhood) শীৰ্ষক-বিষয়ত মননশীল বক্তৃতা প্ৰদান কৰিব। এই অনুষ্ঠানতে ৭৮ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সংগীত উদ্বোধন কৰা হ'ব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনৰ সংগীত ৰচনাৰ দায়িত্ব অৰ্পণ কৰা হয় আৰু পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে গীতটি বাণীবদ্ধ কৰা হয়। অনুষ্ঠানটো বিচিপিএলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমায়ে উদ্বোধন কৰাৰ কথা আছিল যদিও বিশেষ কাৰণত তেওঁ উপস্থিত থাকিব নোৱাৰাৰ বাবে কাৰ্যসূচী উদ্বোধন কৰিব বিচিপিএলৰ মুখ্য সাধাৰণ প্ৰবন্ধক অলক বৰুৱাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব নয়দাস্থিত জিএনআইঅ'টিৰ সঞ্চালক ড০ ভূপেন্দ্ৰ কুমাৰ সোম। উল্লেখ্য যে উক্ত অনুষ্ঠানতে নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপক অশ্বিনী চৰণ চৌধুৰী স্মাৰক বঁটা আৰু মহাবিদ্যালয়খনৰ শ্ৰেষ্ঠ শিক্ষাৰ্থী বিদিশা মলিয়াক ড০ লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন প্ৰমুখ্যে চহৰখনৰ বহুকেইগৰাকী বয়োজ্যেষ্ঠ ব্যক্তিৰ লগতে ভালেসংখ্যক শিক্ষাসদী ব্যক্তি উপস্থিত থাকিব।